# ডিমৌত পিএনবিৰ চেচুৰেছন অভিযানৰ সভা

**নিজা সংবাদ, নগাঁও, ৯ ছেপ্টেম্বৰঃ** নগাঁও জিলাৰ বহা বিধানসভা সমষ্টিৰ অন্তৰ্গত ডিমৌ চাৰিআলিৰ সমূহীয়াভৱনৰ সভাকক্ষত পঞ্জাব নেশ্যনেল বেংক (পিএনবি)ৰ ফুলগুৰি শাখাৰ সৌজন্যত বিত্তীয় অন্তৰ্ভুক্তি আঁচনিৰ বাবে পিএনবি চেচুৰেচন অভিযানৰ ইতিমধ্যে এখনি সজাগতা সভা অনুষ্ঠিত হয়। সেই সভাত ৰিৰ্জাভ বেংক অব্ ইণ্ডিয়া (আৰবিআই)ৰ আঞ্চলিক সঞ্চালক সুস্মিতা ফুকন, এফআইডিডিৰ ডিজিএম পুনম চেতিয়া, এল ডি অ' সন্তোষ কুমাৰ, পিএনবিৰ উপ চক্ৰৰ মুৰব্বী মহম্মদ খুৰচিদ আলম, নগাঁও জিলাৰ এল ডি এম মনিৰাম বসুমতাৰী আৰু স্থানীয় গাঁও পঞ্চায়ত সভাপতি টুটুমনি ডেকাই সমল ব্যক্তিৰূপে ভাষণ ৰাখে। পিএনবিৰ ফুলগুৰি শাখাৰ জ্যেষ্ঠ প্ৰবন্ধক কুণ্ডন মেছৰামৰ বিশেষ পদক্ষেপত যোৱা ৫ ছেপ্টেম্বৰত আয়োজন কৰা বিশেষ সভাখনত জীৱিকা সখী, বেংক সখী, বীমা সখী, কৃষি সখী, পশুধন সখী, সংযোগ সখী আৰু চি এছ পিৰ পৰিচালকসকলকে ধৰি চাৰি শতাধিক গ্ৰাহক ৰাইজ উপস্থিত থকা সভাখনৰ আঁত ধৰে যুব উদ্যোগী ৰূপজ্যোতি বৰাই। এই সভাখনত সভাখনত পিএমজেজেবিৱাই, পিএমএছবিৱাই আৰু এপিৱাইকে ধৰি বিভিন্ন চৰকাৰী আঁচনিসমূহৰ জৰিয়তে গ্ৰামাঞ্চলৰ সাধাৰণ ৰাইজক সুযোগ গ্ৰহণৰে আগবাঢ়ি আহিবলৈ সমল ব্যক্তিসকলে আহ্বান জনায়। মন কৰিবলগীয়া যে, পিএনবিৰ ফুলগুৰি শাখাৰ দ্বাৰা অনুষ্ঠিত কৰা এই আৰ্থিক সমাবেশন সভাৰ জৰিয়তে ৰাইজক চৰকাৰী বিত্তীয় আঁচনিৰ বহুখিনি বিষয় জানিবলৈ দিয়াত সাধাৰণ ৰাইজ বিশেষভাৱে উপকৃত হৈছে। সভাখনত স্থানীয় ৰাইজ উপস্থিত থাকে।

'ই-সংবাদ' Subscribe কৰক আৰু লাভ কৰক আকৰ্ষণীয় উপহাৰ ক্লিক কৰক